# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ অষ্টম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল
(গুণোৎসৱৰ - ২০১৭ৰ ফলাফল অনুসৰি)

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে পুৰণি অসমীয়া গদ্য শুদ্ধ উচ্চাৰণেৰে পঢ়ি বুজি পোৱা।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যতি চিহ্ন প্ৰয়োগ থকা পাঠ শুদ্ধকৈ পঢ়ি বুজিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ)লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) পৰীক্ষিতৰ ব্ৰহ্মশাপ | - | পাঠ নং ১০ |
| খ) অতীতক নাযাবা পাহৰি | - | পাঠ নং ১১ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

পঠন শিক্ষা গ্ৰহণৰ এক গুৰুত্বপূৰ্ণ কৌশল। পঠন শিক্ষাদানৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ ক্ষমতা গঢ়ি তোলা। অধ্যয়ন দক্ষতা আৰু অধ্যয়ন অভ্যাস দুয়োটা মানুহৰ জীৱনৰ বাবে প্ৰয়োজনীয়।

উচ্চ প্ৰাথমিক পৰ্যায়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ গুণোৎসৱ ২০১৭ আৰু নাচ (NAS) ৰ মূল্যায়নৰ ভিত্তিত পোৱা তথ্য মতে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ পঠনবোধৰ ক্ষেত্ৰত শিকন ঘাটি দেখিবলৈ পোৱা হৈছে। অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বাক্য, দফা পঢ়ি ভালদৰে বুজি নাপায়। ফলত দফাটোৰ পৰা কৰা প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব নোৱাৰে। অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো পাঠ পঢ়ি পাঠটোৰ অৰ্থ বুজি পাঠ সম্পৰ্কীয় সকলোবোৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিব লাগিছিল। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠোদ্ধাৰ কৌশলত আশানুৰূপ লক্ষ্যত উপনীত হ'ব পৰা নাই। গতিকে এই শিকনঘাটি পূৰণ কৰাটো আমাৰ শিক্ষক সমাজৰ এক পবিত্ৰ দায়িত্ব।

পঠনবোধৰ ক্ষেত্ৰত দেখা দিয়া ধূসৰ ক্ষেত্ৰসমূহ বাছি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ পঠনবোধৰ পৰিপুষ্টি সাধনৰ বাবে নতুন পদক্ষেপ নিশ্চয় ল'ব লাগিব। আমি শিক্ষক হিচাপে কেনেধৰণৰ পৰিকল্পনাৰে কি কি ক্ৰিয়া-কলাপেৰে ছাত্ৰ-ছাত্ৰীৰ পঠনবোধ বঢ়াম আৰু শুদ্ধ পঠন অভ্যাস গঢ়ি তুলিম—সেই কথাখিনিকে এই সমল সামগ্ৰীত সন্নিৱিষ্ট কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফল সমূহৰ গুৰুত্ব অপৰিসীম ।**

⇨ লিখিত পাঠ পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠনৰ মূল লক্ষ্য। ভাষা শিকনৰ চাৰিটা কৌশলৰ ভিতৰত পঠন হৈছে এক গুৰুত্বপূৰ্ণ কৌশল।

⇨ পাঠ্যপুথিৰ বাহিৰেও অন্যান্য বিদ্যায়তনিক বিষয়(সমল) পঢ়ি জ্ঞান লাভ কৰিবলৈও পঠনৰ প্ৰয়োজন।

⇨ ব্যক্তি এগৰাকীয়ে ভাষাৰ জৰিয়তে চিন্তা-চৰ্চা কৰে, সেয়েহে ব্যক্তিৰ পঠন অবিহনে তেওঁৰ চিন্তা-চৰ্চা কৰাৰ দক্ষতা সীমিত হৈ থাকে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিম?**

⇨ ছাত্ৰ-ছাত্ৰীৰ পুৰণি অসমীয়া গদ্য পঠনৰ ক্ষেত্ৰত থকা ধূসৰ ক্ষেত্ৰসমূহ অধিক অনুশীলনৰ জৰিয়তে স্বচ্ছ কৰি পঠনবোধৰ ক্ষমতা অধিক শক্তিশালী কৰিব পাৰিম।

⇨ পুৰণি অসমীয়া গদ্যক আধুনিক অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰি পঠনৰ দক্ষতা বৃদ্ধি কৰিব পাৰিম।

⇨ অধিক যতি বিৰাম চিহ্ন থকা পাঠসমূহৰ শুদ্ধ ভাব প্ৰকাশ কৰিব পৰাকৈ সৰৱ পঠনৰ অনুশীলন কৰাৰ সুযোগ পাব পাৰিব।

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত পঠনৰ অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।

⇨ নতুন নতুন উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল—**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) পাঠ্যপুথিত থকা পুৰণি অসমীয়া গদ্য পঢ়ি বুজি পোৱা | ⇨ পাঠ্যপুথি<br>⇨ পুৰণি অসমীয়া গদ্যপুথিৰ পৰা লোৱা দফাৰ কাৰ্ড | পাঠ্যপুথিৰ পাঠৰ সৰৱ পঠন | প্ৰশ্ন ঃ তলৰ বাক্যকেইটা শুদ্ধৰূপত পঢ়া—<br>"হামাৰ ঘৰে দধি - দুধ - লৱনু কে পুছত? নদী বহাইতে পাৰোষ তাহেক নিমিত্তে কৃষ্ণক অতয়ে শাস্তি কয়লি।" "হে বুঢ়িয়া, তোহাক কে পুছত! ছিঃ হামাক মাৰিতে আৱল। হামাক চাটু বুলিতে জনম যায়, আজু ৰাগ চৰল। ছিঃ ঘিণেসে ওপজে।" "হামু কথা কহিতে জানো, সবলোকে হামাক মন্দ বুলিবে।" | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) পাঠ্যপুথি বহিৰ্ভূত পাঠৰ পুৰণি অসমীয়া গদ্য আধুনিক অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰি পঢ়িব পৰা | ⇨ অংকীয়া নাট<br>⇨ পাঠ্যপুথি | ক্ৰিয়া-কলাপ | তলৰ বাক্যকেইটা আধুনিক অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰা —<br>১)মহাশ্ৰান্ত হৈয়া আমাক জল খুজিলন্ত<br>২)আঙ্ক কেনে শাপ দিলি<br>৩) ই পাপৰ আন প্ৰায়শ্চিত্ত নেদেখি কৃষ্ণক প্ৰাৰ্থন্ত।<br>৪) হে কৃষ্ণ, অনা-অপৰাধী তোমাৰ ভক্তিক অবোধ ছাৱালে অপকাৰ কৰিলে। | |
| ৩) যতি বিৰাম চিহ্ন থকা পাঠ সমূহৰ ভাব প্ৰকাশ হোৱাকৈ সৰৱ, নীৰৱ পঠন কৰিব পৰা | ⇨ পাঠ্যপুথি<br>⇨ আলোচনী<br>⇨ বাতৰি-কাকত | ক্ৰিয়া-কলাপ | ১১ নং পাঠৰ তলৰ দফাটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ লিখা—<br>" এয়া নটৰাজ। আজিৰ পৰা কিছু বছৰৰ............উল্লেখযোগ্য স্থান বুলি ভবা হৈছে।<br>১) খনন কাৰ্য মানে কি?<br>২) নন্দীৰ পিঠিত উঠি নৃত্যৰত অৱস্থাত থকা মূৰ্ত্তিটো কাৰ?<br>৩) আমবাৰীত কি কি প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ হৈছে। | |

**পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

ছাত্ৰ-ছাত্ৰীয়ে আধুনিক অসমীয়া গদ্যৰাজি পঠন কৰি যিমান সোনকালে আয়ত্ত কৰিব পাৰে পুৰণি অসমীয়া গদ্য পঠন কৌশল সিমান সোনকালে আয়ত্ত কৰিব নোৱাৰে ইয়াৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন। অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীৰে পুৰণি অসমীয়া সাহিত্যৰ গদ্য পঠনবোধ নহয়। অষ্টম শ্ৰেণীৰ পাঠ্যপুথিত থকা ১০ নং (পৰীক্ষিতৰ ব্ৰহ্মশাপ) পাঠটো ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি বুজি পাবলৈ কেনে ধৰণেৰে আগবাঢ়িব পাৰি তলৰ ক্ষেত্ৰ অধ্যয়নটোৰ দ্বাৰা জানো আহকচোন।

**ক্ষেত্ৰ অধ্যয়ন** (Case Study) ঃ

স্বাগতা গোস্বামী পুৰণিগুদামৰ এখন বিদ্যালয়ৰ অষ্টম শ্ৰেণীত পঢ়ুওৱা শিক্ষয়িত্ৰী। ইয়াত তেওঁ বৰ্ণনা কৰিছে কেনেকৈ তেওঁ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পুৰণি অসমীয়া সাহিত্যৰ পঠন সামৰ্থ্য প্ৰসাৰিত কৰিবৰ প্ৰয়াস কৰিছে।

**প্ৰস্তুতিঃ**

⇨ পুৰণি অসমীয়া গদ্যপুথিৰ দফা কাৰ্ড (অংকীয়া নাট, ঝুমুৰা আদি)।

মই কিছুমান পুৰণি অসমীয়া গদ্যপুথি সংগ্ৰহ কৰি লওঁ। পুথিসমূহৰ পৰা পঢ়ি ভাল লগা কিছুমান দফা বাছি উলিয়াই লওঁ। এখন আৰ্ট পেপাৰ চাৰিভাগ কৰি বাৰখন কাৰ্ড কাটি লৈ প্ৰতিখন কাৰ্ডত এটা এটা দফা লিখোঁ। লগতে এখন কাগজত দফাসমূহৰ পৰা কিছুমান প্ৰশ্ন উলিয়াই লিখি ৰাখোঁ যাতে দফাবোৰ পঠন কৰি ছাত্ৰ-ছাত্ৰীয়ে বুজি পাইছেনে নাই, সেই কথা সেই প্ৰশ্নবোৰেৰে মূল্যায়ন কৰিব পাৰোঁ। এতিয়া প্ৰতিখন কাৰ্ডৰ দফাসমূহ নিজে পঢ়ি শুনাওঁ। মই পঢ়াৰ পাছত ছাত্ৰ-ছাত্ৰীক ৪/৫ জনীয়া দল গঠন কৰি প্ৰতিটো দলকে এখনকৈ কাৰ্ড বিতৰণ কৰি দলত নীৰৱে পঢ়িবলৈ দিওঁ। নীৰৱে পঠন কৰাৰ পাছত দলৰ প্ৰতিজনকে সৰবে পঠন কৰাওঁ। মই দফাসমূহৰ ওপৰত যুগুত কৰি ৰখা প্ৰশ্নসমূহ ছাত্ৰ-ছাত্ৰীক গাইগুটীয়াকৈ সুধি তেওঁলোকৰ পৰা প্ৰশ্নৰ উত্তৰ উলিয়াবলৈ চেষ্টা কৰোঁ। তেনে কৰোঁতে দেখা গৈছে যে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কিছুমান শব্দৰ অৰ্থ নুবুজাৰ বাবে উত্তৰ দিওঁতে ভুল হৈছে নতুবা উত্তৰ দিবলৈ অসুবিধা পাইছে। ইয়াৰ পৰা মই অনুমান কৰিব পাৰিলোঁ যে ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি বুজি পোৱা নাই। সেইবাবে মই সোধা প্ৰশ্নবোৰৰ উত্তৰ দিব পৰা নাই।

‘এইবাৰ মই কাৰ্ডসমূহৰ দফাত থকা কিছুমান শব্দ বাছি লৈ ছাত্ৰ-ছাত্ৰীসকলক শব্দবোৰৰ অৰ্থ সুধিলোঁ আৰু মই নিজেও আলোচনা কৰিলোঁ। এনেদৰে শ্ৰেণীকোঠাৰ প্ৰতিজন ছাত্ৰকে এই কাৰ্যত জড়িত কৰিলোঁ। বাৰে বাৰে অনুশীলন কৰাৰ পাছত, শব্দাৰ্থ বুজাৰ লগে লগে তেওঁলোকে প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ সক্ষম হ'ল। অৰ্থাৎ প্ৰাচীন সাহিত্যৰ গদ্য পঢ়ি বুজিব পৰা হ'ল।’

এইদৰে স্বাগতা গোস্বামীয়ে বিভিন্ন প্ৰক্ৰিয়াৰ অনুশীলনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰাচীন সাহিত্যৰ গদ্য পঠনৰ বোধগম্যতা বঢ়াব পাৰিলে।

***বিঃদ্ৰঃ বিশেষভাৱে সক্ষম ছাত্ৰ গৰাকীক বাইদেৱে বিশেষভাৱে গুৰুত্ব দিছিল।***

**চিন্তা কৰি চাওঁ আহক -**

⇨ ছাত্ৰ-ছাত্ৰীৰ পুৰণি সাহিত্যৰ গদ্য পঢ়ি বোধগম্য হোৱাৰ বাবে স্বাগতা গোস্বামীয়ে কেনেদৰে চেষ্টা কৰিছিল?

⇨ তেওঁ কৰা চেষ্টাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ পঠনবোধ হ'ব বুলি আপুনি ভাবেনে?

⇨ তেওঁ কৰা চেষ্টাৰ বাহিৰেও আপুনি বেলেগ ধৰণৰ কি উপায় অৱলম্বন কৰিব?

⇨ এনেধৰণৰ কাৰ্যই ছাত্ৰ-ছাত্ৰীক পুৰণি গদ্য পঢ়াৰ প্ৰতি আগ্ৰহী কৰিব বুলি ভাবেনে?

⇨ শ্ৰেণীকোঠাত গোস্বামী বাইদেৱে কৰাৰ দৰে আমিও ক্ৰিয়া-কলাপ কৰিব পাৰোঁ নেকি চাওঁ আহক।

**ক্ৰিয়া-কলাপ ঃ**

**প্ৰস্তুতি —**

⇨ অংকীয়া নাট

শিক্ষকে কেইখনমান অংকীয়া নাট সংগ্ৰহ কৰি আনি, ছাত্ৰ-ছাত্ৰীক দলত ভাগ কৰি প্ৰতিটো দলকে একোখনকৈ নাট দি নাটখনৰ পৰা ৫ টাকৈ বাক্য নিজৰ বহীত লিখিবলৈ দিব। ছাত্ৰ-ছাত্ৰীক কোৱা হ'ব যে তেওঁলোকে বহীত লিখা পুৰণি অসমীয়া গদ্যৰ বাক্যবোৰ আধুনিক অসমীয়া গদ্যলৈ ৰূপান্তৰিত কৰি লিখিব লাগিব। ছাত্ৰ-ছাত্ৰীয়ে বাক্যবোৰ পঢ়ি আধুনিক অসমীয়া ৰূপ লিখিবৰ বাবে চেষ্টা কৰিব। লগে লগে প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে নিৰীক্ষণ কৰি যাব। প্ৰয়োজন সাপেক্ষে শিক্ষকে সহায় কৰিব। বহীবোৰ সংগ্ৰহ কৰি শিক্ষকে পৰীক্ষা কৰি শুদ্ধ কৰি দিব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে বহীবোৰ দি পুনৰ বাক্যবোৰ শুদ্ধকৈ লিখিবলৈ দিব। লিখা হোৱাৰ পিছত প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে নিজৰ বহীত লিখা পুৰণি অসমীয়া গদ্যৰ বাক্যবোৰ আধুনিক অসমীয়া গদ্যৰ ৰূপ দি সৰবে পঢ়িবলৈ দিব। শুদ্ধকৈ পঢ়িব নজনাজনক শিক্ষকে সহায় কৰিব।

ছাত্ৰ-ছাত্ৰীৰ উক্ত অৰ্হতাটো আয়ত্ত হ'ল নে নাই মূল্যায়ন কৰিবলৈ ছাত্ৰ-ছাত্ৰীক অষ্টম শ্ৰেণীৰ 'অংকুৰণ'ৰ 'পৰীক্ষিতৰ ব্ৰহ্মশাপ' (১০ নং পাঠ) নামৰ পাঠটি উলিয়াই ল'বলৈ দিব। এছোৱা এছোৱাকৈ প্ৰতিজন ছাত্ৰকে সৰবে পঠন কৰি আধুনিক অসমীয়া ৰূপলৈ ভাঙনি কৰি যাবলৈ দিব। তেওঁলোকে পঠন কৰাৰ সময়ত শিক্ষকে মনোযোগেৰে শুনি যাব আৰু ভুল হ'লে শুদ্ধ কৰি দিব। কোনো এজন ছাত্ৰই কোনো এটা দফা পঢ়িব নোৱাৰিলে সেই দফাটো আন কোনো ছাত্ৰই পঢ়িব পাৰিবনে শিক্ষকে সুধিব আৰু সেইজনক দফাটো পঢ়ি শুনাবলৈ দিব; নোৱৰাজনক শুনি যাবলৈ ক'ব। তেওঁ ২/৩ বাৰ পঢ়াৰ পিছত নোৱৰাজনক আকৌ পঢ়িবলৈ দিব। এনেধৰণৰ ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে আনন্দ পাব আৰু পঠনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ সুযোগ পাব, লগে লগে মূল্যায়ন কৰাও হ'ব।

যতি চিহ্ন থকা পাঠ শুদ্ধ পঠনৰ বাবে —

**ক্ৰিয়া-কলাপ ঃ ২**

**প্ৰস্তুতি ঃ**

⇨ যতি বিৰাম চিহ্ন থকা পেপাৰ কাটিং, আলোচনী, অন্যান্য কিতাপ।

⇨ আৰ্ট পেপাৰ, কাঠপেঞ্চিল, স্কেল, স্কেচ পেন, কেঁচী।

ছাত্ৰ-ছাত্ৰীসকলক অষ্টম শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিৰ ১১ নং 'অতীতক নাযাবা পাহৰি' পাঠটি উলিয়াই ল'বলৈ দিয়া হ'ব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে এটা এটা দফা সৰবে পঢ়িবলৈ দিব পাৰি । ছাত্ৰই যতি বিৰাম চিহ্ন প্ৰয়োগ কৰি শুদ্ধকৈ পঠন কৰিব পাৰিছেনে শিক্ষকে লক্ষ্য কৰিব । যদি শুদ্ধ হোৱা নাই তেন্তে শিক্ষকে লগে লগে যতি বিৰাম চিহ্নৰ ব্যৱহাৰ কৰাৰ ফলত পঠনৰ ৰীতি কেনেদৰে সলনি হয় সেই কথা শুদ্ধ পঠনৰ জৰিয়তে বুজাই দিব পাৰিব । আকৌ কেইজনমান ছাত্ৰক পঢ়িবলৈ দিব । প্ৰয়োজন হ'লে শিক্ষকে আকৌ আদৰ্শ পঠন দিব পাৰিব। ছাত্ৰ-ছাত্ৰীয়ে মনোযোগেৰে শুনিছেনে নাই সেই কথা পাঠটো আনক পঢ়িবলৈ দি পৰ্যৱেক্ষণ কৰিব। এনেদৰে বাৰে বাৰে অনুশীলন কৰোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীক যতি বিৰাম চিহ্ন প্ৰয়োগ কৰা পাঠ শুদ্ধ উচ্চাৰণেৰে আৰু ভাব প্ৰকাশেৰে পঢ়িবলৈ দিব পাৰি।

বোৰ্ডত কেইটামান বাক্য লিখি পঢ়িবলৈ দিব পাৰি । মূল্যায়নৰ বাবে শিক্ষকে যতি বিৰাম চিহ্ন প্ৰয়োগ কৰা

বিভিন্ন পেপাৰ কাটিং, আলোচনী আদি সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীক গাইগুটীয়াকৈ পঠন কৰিবলৈ দিব পাৰে। প্ৰত্যেককে আৰ্ট পেপাৰ দি বাক্য নতুবা দফা নিজাববীয়াকৈ লিখি পঢ়িবলৈ দিব পাৰি ।

*বিঃদ্ৰঃ -*

⇨ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।

⇨ পাঠ্যপুথিৰ বাহিৰে অন্যান্য কিতাপ, আলোচনী আদি পঠনৰ বাবে বিদ্যালয়ত অতিৰিক্ত পিৰিয়দ ৰাখিব লাগিব।

**সাৰাংশ ঃ**

⇨ ছাত্ৰী-ছাত্ৰীয়ে পুৰণি অসমীয়া সাহিত্য শুদ্ধকৈ পঢ়ি বুজি পাব।

⇨ আধুনিক অসমীয়া সাহিত্য আৰু পুৰণি অসমীয়া সাহিত্যৰ মাজত থকা পাৰ্থক্য জানিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীৰ শব্দৰ ভড়াল বৃদ্ধি হ'ব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক ঃ

প্ৰশ্ন ঃ তলৰ বাক্যকেইটা শুদ্ধ ৰূপত পঢ়া—

⇨ হামাৰ ঘৰে দধি - দুধ - লৱণু কে পুছত ? নদী বহাইতে পাৰোষ তাহেক নিমিত্তে কৃষ্ণক অতয়ে শাস্তি কয়লি।

⇨ আহে বুঢ়িয়া, তোহাক কে পুছত ! ছিঃ হামাক মাৰিতে আৱল। হামাক চাটু বুলিতে জনম যায়, আজু ৰাগ চৰল। ছিঃ ঘিণেসে ওপজে।

⇨ হামু কথা কহিতে জানো, সবলোকে হামাক মন্দ বুলিবে।

প্ৰশ্ন ঃ তলৰ বাক্যকেইটা আধুনিক অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰা —

⇨ মহাশ্ৰান্ত হৈয়া আমাক জল খুজিলন্ত।

⇨ আঙ্ক কেনে শাপ দিলি ?

⇨ ই পাপৰ আন প্ৰায়শ্চিত্ত নেদেখি কৃষ্ণক প্ৰাৰ্থন্ত।

⇨ হে কৃষ্ণ, অনা-অপৰাধী তোমাৰ ভক্তিক অবোধ ছাৱালে অপকাৰ কৰিলে।

প্ৰশ্ন ঃ তলৰ দফাটো আধুনিক ৰূপলৈ পৰিৱৰ্তন কৰি পঢ়া—

হে মাই,............ওহি তোহাৰি বালক, ইহাক তোহু বহু অপৰাধ পাৱল। ওহিতো বন্ধন মাত্ৰ, লাগে খাণ্ডা হানি কটিয়া খাৰ, তবে হামাৰ কি ভেল !

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

**প্ৰশ্ন ঃ** তলৰ শব্দকেইটাৰ আধুনিক অৰ্থ দিয়া আৰু সেইবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা —
জলত, মহাশ্ৰান্তা, ছাৱাল, খুজিলন্ত, প্ৰাৰ্থন্ত।

**প্ৰশ্ন ঃ** 'অংকুৰণ'ৰ ১০ নং পাঠ 'পৰীক্ষিতৰ ব্ৰহ্মশাপ' নামৰ পাঠটিৰ পৰা এটাকৈ দফা অসমীয়াত ভাঙনি কৰা।

**প্ৰশ্ন ঃ** ১১ নং পাঠৰ তলৰ দফাটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ লিখা—

" এয়া নটৰাজ। আজিৰ পৰা কিছু বছৰৰ আগতে গুৱাহাটীৰ আমবাৰী অঞ্চলত কৰা খনন কাৰ্যৰ পৰা উদ্ধাৰ কৰা হৈছে। শিৱৰ বাহন নন্দীৰ পিঠিত উঠি নৃত্যৰত অৱস্থাত থকা এই মূৰ্তি সমগ্ৰ ভাৰততে বিৰল।

আমবাৰীত এই মূৰ্তিৰ উপৰি অনেক প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ হৈছে; যেনে - ইটাৰে নিৰ্মিত স্থাপত্যৰ ভেটি, নটৰাজ, বিষ্ণু, শিৱ আদি মূৰ্তি, পোৰা মাটিৰ প্ৰত্নতাত্ত্বিক সম্পদ। ইয়াক, শিল্পকৰ্মৰ এক উল্লেখযোগ্য স্থান বুলি ভবা হৈছে।

- ⇨ খনন কাৰ্য মানে কি?
- ⇨ নন্দীৰ পিঠিত উঠি নৃত্যৰত অৱস্থাত থকা মূৰ্ত্তিটো কাৰ?
- ⇨ আমবাৰীত কি কি প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ হৈছে।

**প্ৰসঙ্গ টোকা ঃ**

- ⇨ পাঠ্যপুথি - অংকুৰণ (অষ্টম মান)।
- ⇨ ৰুক্মিনীহৰণ নাট - শ্ৰীশ্ৰীশংকৰদেৱ।
- ⇨ পাৰিজাত হৰণ নাট - শ্ৰীশ্ৰীশংকৰদেৱ।
- ⇨ বাতৰি কাকত।
- ⇨ প্ৰান্তিক।
- ⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***